# আধাৰশিলা আৰু হিতেশ্বৰ শইকীয়া

অসমত একাধিক ব্যৱসায় চলি থকাৰ উপৰিও আন এবিধ ব্যৱসায় সদ্যহতে চলিছে, সেয়া হৈছে আধাৰশিলা স্থাপনৰ ব্যৱসায়।

এইটো ব্যৱসায়ৰ লাভজনক দিশটো আবিষ্কাৰ কৰাৰ পাছত পোনপ্ৰথমতে যিজন ব্যক্তিয়ে এইটো ব্যৱসায়ৰ সম্প্ৰসাৰণত অৰিহণা যোগালে সেইজন হৈছে নাজিৰা সমষ্টিৰপৰা নিৰ্বাচিত এসময়ৰ মন্ত্ৰী। ১৯৮৩ চনৰ ১২ ফেব্ৰুৱাৰিত অসাংবিধানিক নিৰ্বাচনত নিৰ্বাচিত হৈ পিচলৈ অসমৰ মুখ্যমন্ত্ৰী হোৱা এইগৰাকী ব্যক্তিয়ে ১৯৮৩ চনৰ ২৬ ফেব্ৰুৱাৰিৰপৰা ১৯৮৫চনৰ ২১ আগষ্টলৈকে নিজকে 'জনপ্ৰিয়' মুখ্যমন্ত্ৰী ৰূপে 'প্ৰতিষ্ঠা' কৰে। ২২ আগষ্টৰপৰা এইগৰাকীয়েই তদাৰকী মন্ত্ৰীসভাৰ মুখ্যমন্ত্ৰী হয়। নিজকে সমাজ আৰু দেশত গজ্‌গজীয়া কৰি ৰাখিবলৈ বুৰঞ্জীৰ পাতত নিজৰ নামটো জিলিকাই ৰাখিবলৈ মাজতে দিল্লীৰ এটি ভুৱা অনুষ্ঠানক একলাখ টকাৰ ভেটি দি 'মেন অৱ দা নেচন' উপাধিও গ্ৰহণ কৰে।

'মেন অৱ দা নেচন'জ এইবেলি ১৯৮৫ চনৰ ১৬ ডিচেম্বৰত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত পুনৰ নাজিৰা সমষ্টিৰপৰা নিৰ্বাচিত হয়।

চিক্‌মিকীয়া উজ্জ্বল দুপাৰি দাঁত উলিয়াই হাঁহিব পৰা এইজন প্ৰাক্তন মুখ্যমন্ত্ৰীৰ মুখৰ হাঁহি দেখি এজন প্ৰখ্যাত সাংবাদিকে এইদৰে মন্তব্য দিয়ে— 'স্মাইলচ ৱেল, বাট হিজ টিথ আৰ মে'ড অৱ আইৰণ'।

শইকীয়াই বোলে প্ৰথমবাৰৰ বাবে আধাৰশিলা স্থাপনৰ ব্যৱসায়ত আসক্ত হয় ১৯৮২ চনত। তেতিয়া শিক্ষামন্ত্ৰী হৈ থাকোঁতে ১৯৮২ চনৰ ২৯ জানুৱাৰি তাৰিখে প্ৰথমটো আধাৰশিলা স্থাপন কৰে 'কম্পজিট এডুকেচন বিল্ডিঙ'ৰ।

সদ্যহতে অসমৰ যলৈকে যাব তাতেই একো একোটা আধাৰশিলাত ৰাইজে য'তে ততে উজুতি খাবলগীয়া হৈছে। কোনোটো আধাৰশিলাৰে কোনো গৃহ নিৰ্মাণ বা অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাম শামুকীয়া গতিৰেও আগবঢ়া নাই।

যোৱা ১৯৮৩ চনত ব্যৱসায়ীজনে মাত্ৰ এটাহে আধাৰশিলা স্থাপন কৰে। এওঁ ১৯৮৪ চনত ব্যৱসায় বৃদ্ধি কৰে আৰু তাৰ পিচৰেপৰা বাৰমাহে তেৰটা শিলা স্থাপন কৰে। কেইটামান উল্লেখযোগ্য আধাৰশিলা :

১। এইগৰাকী মুখ্যমন্ত্ৰীৰ কাৰ্য্যকালতে ১৯৮৪ চনৰ ২ ফেব্ৰুৱাৰিত অসমৰ স্থায়ী ৰাজধানীৰ আধাৰশিলা তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে প্ৰাগজ্যোতিষপুৰত স্থাপন কৰে। উক্ত স্থায়ী ৰাজধানীৰ নিৰ্মাণৰ কথা দূৰতে থাওক, আধাৰশিলাখনকে বিচাৰি পোৱা হোৱা নাই।

২। চিনামৰাত অ' এন. জি চি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৩। অসম প্ৰথম পলিয়েষ্টাৰ মিলৰ আধাৰশিলা মাণিকপুৰত স্থাপন কৰে।

৪। নাথকুছিত দ্বিতীয় পলিয়েষ্টাৰ মিল আৰু জাগীৰোডত তৃতীয় পলিয়েষ্টাৰ মিলৰ আধাৰশিলা স্থাপন কৰে।

৫। আমিনগাঁৱত ইনলেণ্ড কন্টেইনাৰ ডিপোৰ আধাৰশিলা স্থাপন কৰে।

৬। নামৰূপৰ পেট্ৰ-কেমিকেল প্ৰজেক্টৰ মেথানল এক্সপানচন প্লেটাৰ আধাৰশিলা স্থাপন কৰে।

৭। নগাঁৱত ইনডোৰ ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে।

৮ চুইজাৰলেণ্ড চৰকাৰৰ সহযোগত গুৱাহাটীত ৰেডক্ৰচ অৰ্ফেনেজ অনুষ্ঠানটোৰ ভাৰতৰ উপৰাষ্ট্ৰপতিৰদ্বাৰা আধাৰশিলা স্থাপন কৰায়।

৯। দূৰদৰ্শনৰ স্বতন্ত্ৰীয়া ষ্টুডিঅ' এটাৰ নিৰ্মাণৰ অৰ্থে আধাৰশিলা স্থাপন কৰে।

১০। বিশ্বনাথ চাৰিআলিত যোৱা ১৯৮৫ চনৰ ১০ জানুৱাৰিত ৰাজ্যৰ দ্বিতীয়খন কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

১১। শইকীয়াই কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী কে. চি পন্তৰদ্বাৰা ১৯৮৫ চনৰ ৩১ জানুৱাৰিত গড়গাঁও কলেজ প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰায়।

১২। চান্দমাৰীৰ গোপীনাথ বৰদলৈ আৰু ৰাধাগোবিন্দ বৰুৱা পথৰ সংযোগ স্থলৰ ৰে'লপথৰ ওপৰেৰে এখন ফ্লাই অভাৰ নিৰ্মাণৰ কাম ১৯৮৫ চনৰ ৭ জুন তাৰিখে আনুষ্ঠানিকভাবে উদ্বোধন কৰে। 'আনন্দৰাম বৰুৱা সেতু' নামেৰে এই ফ্লাই-অভাৰৰ আধাৰশিলা স্থাপন কৰে।

১৩। ১৯৮৫ চনৰ ৩০ অক্টোবৰত আজাৰাত আয়োজিত এক অনুষ্ঠানত শইকীয়াই যোগীঘোপা আৰু গুৱাহাটীৰ মাজৰ ১৪৩ কিলোমিটাৰ দৈৰ্ঘৰ ব্ৰডগজ ৰে'লপথৰ নিৰ্মাণৰ কাম আনুষ্ঠানিকভাবে মুকলি কৰে আৰু আধাৰশিলা স্থাপন কৰে।

এইজন মুখ্যমন্ত্ৰীৰ কাৰ্যকালৰ সৰ্বশেষ আধাৰশিলাটোৰ কথা হ'লে তেওঁ নিজেই গম নাপালে। তেওঁৰ কুশাসনৰ ফলতে অসমত প্ৰোথিত হ'ল আঞ্চলিক ৰাজনীতিৰ আধাৰশিলা— 'অসম গণ পৰিষদ' চৰকাৰৰ আধাৰশিলা। ◻◻